**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। পশ্চিমবংগৰ মুৰ্ছিদাবাদ জিলাত ৱক্ফ সংশোধনী আইনৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ সময়ত সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ বিষয়ত হস্তক্ষেপ কৰিবলৈ বিজপিয়ে ৰাজ্যপাল ড০ চি ভি আনন্দ বসুক আহ্বান জনাইছে।

২। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই ডিজিটেল এৰেষ্টৰ গোচৰত জড়িত থকাৰ অভিযোগত চাৰিজন লোকক আটক কৰিছে।

৩। ৫২ দিনীয়া বাৰ্ষিক অমৰনাথ যাত্ৰাৰ বাবে পঞ্জীয়ন আৰম্ভ হৈছে।

৪। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌৰ লোকবন্ধু হাস্পতালত কালি নিশা সংঘটিত অগ্নিকাণ্ডৰ পাছত বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

পশ্চিমবংগৰ মুৰ্ছিদাবাদ জিলাত ৱক্ফ সংশোধনী আইনৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ সময়ত সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ বিষয়ত হস্তক্ষেপ কৰিবলৈ বিজপিয়ে ৰাজ্যপাল ড০ চি ভি আনন্দ বসুক আহ্বান জনাইছে। ৰাজ্যপালগৰাকীলৈ লিখা এখন পত্ৰত ৰাজ্যিক সভাপতি ড০ সুকান্ত মজুমদাৰে ঘটনা সন্দৰ্ভত বিতংভাৱে উল্লেখ কৰি তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইতিমধ্যে এই ঘটনা সংক্ৰান্তত আদালতৰ নিৰীক্ষণত বিশেষ তদন্তকাৰী দলৰ তদন্তৰ আহ্বান জনাই শশাংক শেখৰ ঝা নামৰ এজন ব্যক্তিয়ে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে।

ইফালে কালি সীমান্ত সুৰক্ষা বাহিনীৰ ইষ্টাৰ্ন কামাণ্ডৰ অতিৰিক্ত সঞ্চালক প্ৰধান ৰবি গান্ধীয়ে মুৰ্ছিদাবাদৰ ছমশ্বেৰগঞ্জ অঞ্চল পৰিদৰ্শন কৰে। তেওঁ পশ্চিমবংগৰ আৰক্ষী সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰ আৰু দক্ষিণ বংগৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান সুপ্ৰতীম সৰকাৰৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত জংগীপুৰ আৰক্ষী জিলাৰ জ্যেষ্ঠ আৰক্ষী বিষয়াৰ লগতে পশ্চিমবংগৰ অন্যান্য জিলাৰ জ্যেষ্ঠ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ অন্তত অতিৰিক্ত সঞ্চালক প্ৰধানগৰাকীয়ে কয়, যে বি এছ এফ আৰু আৰক্ষীয়ে যৌথভাৱে মুৰ্ছিদাবাদৰ সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহত শান্তি-শৃংখলা বজাই ৰাখিবলৈ কাম কৰা উচিত।

আকাশবাণী কলকাতাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি মুৰ্ছিদাবাদৰ সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহৰ ভালেসংখ্যক লোকে মালদাহ জিলাৰ বৈষ্ণৱ নগৰৰ সাহায্য শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। শিক্ষা ৰাজ্য মন্ত্ৰী তথা বিজেপিৰ পশ্চিমবংগৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰে সাহায্য শিবিৰত থকা লোকসকলক সাক্ষাৎ কৰি এই

অঞ্চলসমূহত সীমান্ত সুৰক্ষা বাহিনীৰ নিয়োগৰ সময়সীমা বৃদ্ধিৰ বাবে উচ্চ ন্যায়ালয়ত আবেদন জনাব বুলি আশ্বাস দিয়ে।

উল্লেখযোগ্য যে, বিগত সপ্তাহত ছমশ্বেৰগঞ্জ, ছুতি, জংগীপুৰকে ধৰি জিলাখনৰ বিভিন্ন অঞ্চলত ৱক্ফ সংশোধনী আইন ২০২৫ৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা হয়। ৰাজ্যখনৰ দক্ষিণ চৌবিশ পৰগণাৰ ভানগড় এলেকাতো কালি ৱকফ সংশোধনী আইন প্ৰতিবাদত প্ৰতিবাদকাৰীয়ে একে পৰিস্থিতিৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ জোৱানক আক্ৰমণ কৰাৰ লগতে বাহনসমূহৰো ক্ষতি কৰি জ্বলাই দিয়ে। একেদৰে কাশীপুৰ অঞ্চলত প্ৰতিবাদকাৰীসকলে ৯ জন আৰক্ষীৰ লোকক আক্ৰমণ কৰি তেওঁলোকৰ বাহন সমূহত অগ্নি সংযোগ কৰে। আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত ৮ জন লোকক আটক কৰিছে।

ooooooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই ডিজিটেল এৰেষ্টৰ গোচৰত জড়িত থকাৰ অভিযোগত চাৰিজন লোকক আটক কৰিছে। অপাৰেচন চক্ৰ-ফাইভৰ অধীনত চি বি আয়ে মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আৰু ৰাজস্থানৰ ১২ টা স্থানত অভিযান চলোৱাৰ অন্তত এই লোক কেইজনক আটক কৰে। চি বি আয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ৰাজস্থানৰ ঝনঝুনুৰ ছাইবাৰ আৰক্ষী থানাত এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰা হৈছিল। গোচৰটোত চাইবাৰ অপৰাধীকেইজনে নিজকে বিভিন্ন আইন বলৱৎকাৰী সংস্থাৰ সৈতে জড়িত থকা বুলি উল্লেখ কৰি এজন লোকক তিনিমাহ ধৰি ডিজিটেলি নজৰবন্দী কৰি ৰাখিছিল বুলি উল্লেখ কৰা হৈছিল। এই সময়ছোৱাত ভুক্তভোগী লোকজনৰ পৰা ৪২ বাৰত সাত কোটি ৬৭ লাখতকৈও অধিক ধন সংগ্ৰহ কৰা হৈছিল। চি বি আয়ে এই অভিযানত বেংক একাউণ্টৰ তথ্য, ডেবিত কাৰ্ড, চেকবুককে ধৰি বহুবোৰ ডিজিটেল সামগ্ৰী জব্দ কৰে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বঙালী নৱবৰ্ষ **পইলা বৈশাখ** উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে, এই নৱবৰ্ষত সকলোৰে মনৰ আশা পূৰণ হোৱাৰ কামনা কৰিছোঁ। তেওঁ সকলোৰে বাবে সফলতা, সু-স্বাস্থ্য আৰু সমৃদ্ধি তথা সুখৰ বাবে প্ৰাৰ্থনা কৰে।

ooooooooo

৫২ দিনীয়া বাৰ্ষিক অমৰনাথ যাত্ৰাৰ বাবে কালি পঞ্জীয়ন আৰম্ভ হৈছে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি তীৰ্থযাত্ৰীসকলে শ্ৰী অমৰনাথ তীৰ্থস্থান পৰিষদৰ ৱেবচাইট jksasb.nic.in. ৰ জৰিয়তে অনলাইন পঞ্জীয়ন কৰিব পাৰিব। তদুপৰি সমগ্ৰ দেশৰ ৫৪০ টাৰো অধিক পঞ্জীকৃত বেংক অথবা পঞ্চায়ত ভৱন, বৈষ্ণৱী ধাম আৰু মহাজন প্ৰেক্ষাগৃহৰ দৰে কেন্দ্ৰসমূহত অমৰনাথ যাত্ৰাৰ বাবে পঞ্জীয়ন কৰিব পাৰিব। সকলো তীৰ্থযাত্ৰীয়ে পঞ্জীয়ন কৰাটো আৰু স্বীকৃত চিকিৎসালয়ৰ পৰা স্বাস্থ্যৰ প্ৰমাণপত্ৰ জমা দিয়াটো বাধ্যতামূলক। প্ৰতিগৰাকী তীৰ্থযাত্ৰীৰ বাবে ২২০ টকাকৈ পঞ্জীয়ন মাচুল লোৱা হ'ব। অহা ৩ জুলাইত অনন্তনাগ জিলাৰ পেহেলগামৰ পৰা আৰু গান্দেৰবল জিলাৰ বালটলৰ পৰা অমৰনাথ যাত্ৰা আৰম্ভ হ'ব। ৯ আগষ্টত ৰাখী বন্ধনৰ দিনা এই যাত্ৰীৰ সামৰণি পৰিব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হিমাচল দিৱস উপলক্ষে হিমাচল প্ৰদেশৰ নাগৰিকসকলক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে ৰাজ্যখন গৌৰৱময় সংস্কৃতিৰ বাবে বিখ্যাত আৰু ইয়াৰ জনসাধাৰণ কঠোৰ পৰিশ্ৰম, প্ৰতিভা আৰু বীৰত্বৰ বাবে জনাজাত। আজি ৰাজ্যখনৰ বিশেষ দিনটোত তেওঁ সকলোৰে সুখ-সমৃদ্ধি আৰু সু-স্বাস্থ্য কামনা কৰে।

০০০০০০০০০

আকাশবাণী হায়দৰাবাদ কেন্দ্ৰই আজি হীৰক জয়ন্তী উদযাপন কৰিছে। আকাশবাণী আৰু বাতৰি সেৱা বিভাগৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে আকাশবাণী হায়দৰাবাদ চৌহদত হীৰক জয়ন্তী স্তম্ভ ভাৰ্চুৱেলী উন্মোচন কৰিব। ১৯৫০ চনত আজিৰ দিনটোতে হায়দৰাবাদ ৰাজ্যৰ নিজামৰ ডেক্কান ৰেডিঅ' ভাৰত চৰকাৰৰ অধীনলৈ আহিছিল।

০০০০০০০০০

উত্তৰ প্ৰদেশৰ লক্ষ্ণৌৰ লোকবন্ধু হাস্পতালত কালি নিশা সংঘটিত অগ্নিকাণ্ডৰ পাছত বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে আৰু বৰ্হিৰোগ বিভাগৰ চিকিৎসা সেৱাৰ কাম পুনৰ আৰম্ভ হৈছে।  চিকিৎসালয়খনৰ সঞ্চালক সংগীতা গুপ্তাই প্ৰকাশ কৰা অনুসৰি বৰ্হিৰোগ বিভাগৰ সকলো চিকিৎসকে বৰ্তমান ৰোগীক চোৱাৰ কাম আৰম্ভ কৰিছে। উল্লেখযোগ্য যে, চিকিৎসালয়খনৰ দ্বিতীয় মহলাত যোৱা নিশা আকস্মিকভাৱে জুই লগাৰ পাছত সংকটজনক অৱস্থাত থকা ৰোগীসকলৰ উপৰি ২০০ৰো অধিক ৰোগীক বাহিৰলৈ উলিয়াই অনা হয়। লক্ষ্ণৌৰ সংবাদদাতাই প্ৰকাশ কৰা মতে বহু ৰোগীক বলৰামপুৰ চিকিৎসালয় আৰু অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। জিলা প্ৰশাসনৰ বিষয়াসকলে আজি নিচেই পুৱাতে এই চিকিৎসালয় দুখন পৰিদৰ্শন কৰি ৰোগীসকলৰ স্বাস্থ্যৰ বুজ লয়।

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ঘটনাৰ বুজ লোৱাৰ লগতে প্ৰশাসনক প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱা নাই বুলি উত্তৰ প্ৰদেশ চৰকাৰৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰিছে।

০০০০০০০০০

ব'হাগৰ পহিলা দিনটোত আজি পৰম্পৰাগতভাৱে ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লৈছে। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাৰ এখন গাঁৱত যোৱা নিশা নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা গুলীয়াগুলীত এজন সেনা জোৱান আহত হয়। আহত জোৱানজনক ততালিকে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি জিলাখনৰ চুৰানকোট মহকুমাৰ লাছানা গাঁৱত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীৰ উপস্থিতিৰ তথ্য লাভ কৰাৰ পাছত অঞ্চলটোত অভিযান চলোৱাৰ সময়ত দুয়োপক্ষৰ মাজত

গুলীয়াগুলী হয়। সেনাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি অঞ্চলটোত অতিৰিক্ত বাহিনী নিয়োগ কৰা হৈছে আৰু সন্ত্ৰাসবাদী কেইটা যাতে পলাই যাব নোৱাৰে তাৰ বাবে তদন্ত অভিযানো অব্যাহত আছে।

০০০০০০০০০

বিধি বলৱতকাৰী সঞ্চালকালয়ে কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী প্ৰিয়ংকা গান্ধী ৱাদ্ৰাৰ স্বামী ৰবাৰ্ট ৱাদ্ৰাক হাৰিয়ানাৰ ভূমি চুক্তিৰ সৈতে জড়িত ধন সৰবৰাহৰ তদন্ত সংক্ৰান্তত সোধাপোছা কৰিছে। গুৰুগ্ৰামৰ শ্ৰী ৱাদ্ৰাৰ মালিকানাধীন এটা কোম্পানীয়ে ভূমি ক্ৰয়ৰ সৈতে এই গোচৰটো জড়িত। ইয়াৰ পূৰ্বে আজি পুৱা ৱাদ্ৰাই ৰাষ্ট্ৰীয় ৰাজধানীস্থিত সঞ্চালকালয়ৰ কাৰ্যালয়ত উপস্থিত হয়।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গাভাই কয়, যে দেশৰ সংবিধানে বিভিন্ন সময়ত দেশখনক শক্তিশালী, সুস্থিৰ আৰু ঐক্যবদ্ধ কৰাৰ ভূমিকা পালন কৰি আহিছে। কালি নতুন দিল্লীৰ ড০ আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত আয়োজিত প্ৰথম ড০ আম্বেদকাৰ সোঁৱৰণী বক্তৃতাত এই কথা প্ৰকাশ কৰে। ন্যায়াধীশগৰাকীয়ে কয়, যে বিগত বৰ্ষবোৰত দেশখনে বিভিন্ন বাহ্যিক আগ্ৰাসন আৰু আভ্যন্তৰণী অশান্তিৰ সন্মুখীন হৈছিল যদিও ই একত্ৰিত আৰু শক্তিশালী হৈ আছে। পৰৱৰ্তিত সময়ৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খোৱাবলৈ সংবিধানখন সময়ে সময়ে সংশোধন কৰা হয় বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। সম্প্ৰতি দুয়োটা দলেই ৬ পইণ্টকৈ লাভ কৰিছে যদিও উন্নত ৰাণ ৰেটৰ সুবাদত কলকাতা পাঞ্জাবতকৈ এটা স্থান আগুৱাই আছে।

ইপিনে, প্ৰতিযোগিতাত ৫ খন খেলত পৰাজিত হোৱা চেন্নাই ছুপাৰ কিংছ দলটো যোৱা নিশা লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে ৫ উইকেটত জয়ী হয়।

০০০০০০০০০

পঞ্চদশ হকী ইণ্ডিয়া ছিনিয়ৰ পুৰুষ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ ২০২৫ৰ চূড়ান্ত খেলখনত আজি মধ্যপ্ৰদেশ পাঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন উত্তৰ প্ৰদেশৰ ঝাঁচিত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ইপিনে বিয়লি ৫ বজাত চেম্পিয়নশ্বিপৰ তৃতীয় আৰু চতুৰ্থ স্থান নিৰ্ধাৰণকাৰী খেলখনত আয়োজক উত্তৰ প্ৰদেশ মণিপুৰৰ সন্মুখীন হ'ব।

যোৱা দেওবাৰে অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন ছেমি ফাইনেলত মধ্যপ্ৰদেশে মণিপুৰক ৫-৩ গ'লত আৰু দ্বিতীয়খন ছেমি ফাইনেলত পাঞ্জাবে উত্তৰ প্ৰদেশক ৪-৩ গ'লত পৰাস্ত কৰিছিল।

০০০০০০০০০

সমাপ্ত